# CELEBRATION OF WORLD ENVIRONMENT DAY AT SARAIGHAT COLLEGE ON 5TH JUNE, 2023

THE ASSAM TRIBUNE, GUWAHATI 7

GUWAHATI, TUESDAY, JUNE 6, 2023

The Eco Club of Saraighat College, Changsari and Dr Robin Deb Chowdhury Art Gallery celebrated the day with a daylong programme in collaboration with Saraighat Art Society. A workshop was conducted by renowned painter Pradeep Nath on behalf of Saraighat Art Society which was attended by Atul Chandra Barua, retired professor, Assam Government Art College, Dadul Chaliha, Anup Sharma and Dr Nayak Amrita Nanda, among others. The meeting held on the occasion was attended by Dr Ashok Bora, Professor, Department of Geography, Gauhati University as chief resource person who urged everyone to reduce the use of plastic and use paper or cloth bags instead. The event was moderated by Dr Mousumi Mohanta, coordinator, Eco Club, Saraighat College. The principal, Dr Moni Sharma explained the importance and significance of the day and said that there would be people only if there was environment.

নিয়মীয়া বার্তা মঙলবাৰ, ৬ জুন ২০২৩

# চাংসাৰিত শৰাইঘাট মহাবিদ্যালয়ৰ বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন



**গুৱাহাটী, ৫ জুন ঃ** আজি চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয়ৰ ইক' ক্লাব আৰু ড° ৰবীন দেৱ চৌধুৰী আৰ্ট গেলেৰীৰ উদ্যোগত আৰু শৰাইঘাট আৰ্ট ছ'চাইটীৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰা হয়। এইবছৰ বিশ্ব পৰিৱেশ দিৱসৰ মূল বিষয়বস্তু প্লাষ্টিক বৰ্জন আৰু ১০ পৃষ্ঠাত

## চাংসাৰিত শৰাইঘাট মহাবিদ্যালয়ৰ বিশ্ব পৰিৱেশ দিৱস

পৃথিৱী ৰক্ষা শীৰ্ষক শিৰোনামৰ লগত সংগতি ৰাখি গছপুলি ৰোপণৰ কাৰ্যসূচীৰ লগতে চিত্ৰ অংকনৰ এক কৰ্মশালাও অনুষ্ঠিত হয়। শৰাইঘাট আৰ্ট ছ'চাইটীৰ হৈ কৰ্মশালাখন পৰিচালনা কৰে স্বনামধন্য চিত্ৰশিল্পী প্ৰদীপ নাথে। এই কৰ্মশালাত অতুল চন্দ্ৰ বৰুৱা, দাদুল চলিহা, অনুপ শৰ্মা, ডঃ নায়ক অমৃতা নন্দা, মোহন ভূএগ্ৰা, ৰুদ্ৰাংকুৰ হাজৰিকা, মীনাক্ষী বুঢ়াগোহাঁই, মিণ্টু ডেকা, আদিৰ লগতে স্থানীয় চিত্ৰশিল্পী ভৃগু কলিতা, বৰষা নাথ, নিপু কলিতা, পৰমেশ্বৰ ডেকা আৰু চিন্ময় ডেকাও উপস্থিত থাকে। ইফালে, বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মহাবিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সভাত মুখ্য সমল ব্যক্তি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ অধ্যাপক ডঃ অশোক বৰা। তেওঁ ভাষণত কয় যে প্লাষ্টিকৰ আৱৰ্জনাই বৰ্তমান সাগৰীয় জীৱকুললৈ ভাবুকি অনাই নহয়, অনাগত সময়ত ই সম্পূৰ্ণ জীৱকুলৰ বসবাসৰ অনুপযুক্ত হৈ পৰিব। তেওঁ প্লাষ্টিকৰ ব্যৱহাৰ কমাই কাগজৰ বা কাপোৰৰ মোনা ব্যৱহাৰ কৰিবলৈ সকলোকে আহ্বান জনায়। শৰাইঘাট মহাবিদ্যালয়ৰ ইক' ক্লাবৰ সমন্বয়ক ডঃ মৌচুমী মহন্তই আঁত ধৰা অনুষ্ঠানটোত অধ্যক্ষ ডঃ মণি শৰ্মাই পৰিৱেশ দিৱসৰ গুৰুত্ব আৰু তাৎপৰ্যৰ বিষয়ে বৰ্ণনা কৰি কয় যে পৰিৱেশ থাকিলেহে মানুহ থাকিব। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ডঃ জ্ঞানদা নাথে সভাপতিত্ব কৰা সভাখনত শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।